# 2018

## ASSAMESE

## ( Major )

Paper : 5.5

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) অলঙ্কাৰ শাস্ত্রত ৰস শব্দৰ অর্থ কি ?

(খ) ভৰতৰ ৰসসূত্রৰ প্রথম ব্যাখ্যাকাৰ কোন ?

(গ) ধ্রুৱবাদ শব্দটো ইংৰাজী কোনটো শব্দৰ পৰা ওলাইছে ?

(ঘ) ভিক্টৰ হিউগোৱে ৰোমাণ্টিকতাবাদক কি বুলি কৈছে ?

(ঙ) 'কবিতা ছন্দোৱদ্ধ ৰচনা' বুলি কোনে কৈছিল ?

(চ) এৰিষ্ট'টলে তেওঁৰ 'Poetics'ত নাটকৰ সংজ্ঞা হিচাপে কি কৈছে ?

(ছ) এডগাৰ এলেন পো-এ দিয়া চুটিগল্পৰ সংজ্ঞাটো কি ?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) স্থায়ীভাৱ কি আৰু কেইটা, উল্লেখ কৰা।

(খ) আধুনিকতাবাদৰ দুটা বৈশিষ্ট্য লিখা।

(গ) ৰূপক কবিতা কাক বোলে?

(ঘ) অসমীয়া ভাষাৰ দুখন জীৱনীমূলক উপন্যাসৰ নাম লিখা।

৩। (ক) ভৰতৰ ৰসসূত্ৰটো উল্লেখ কৰি তাৰ এটা ব্যাখ্যা দাঙি ধৰা। ২+৮=১০

*অথবা*

(খ) ৰস কাক বোলে? ৰসৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা। ২+৮=১০

৪। (ক) ধ্ৰুৱবাদ কি? ধ্ৰুপদী সাহিত্যৰ বৈশিষ্ট্যসমূহ লিখা। ২+৮=১০

*অথবা*

(খ) ৰমণ্যাসবাদ বুলিলে কি বুজা? ৰমণ্যাসবাদী সাহিত্যৰ প্ৰধান লক্ষণসমূহ আলোচনা কৰা। ২+৮=১০

৫। (ক) মহাকাব্য কাক বোলে? মহাকাব্যৰ লক্ষণবোৰ কি কি, আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) "উপন্যাসৰ মূল সম্পদ কাহিনী।" এই উক্তিৰ আধাৰত উপন্যাসত কাহিনী আৰু চৰিত্ৰৰ পাৰস্পৰিক সম্পৰ্কৰ বিষয়ে আলোচনা কৰা। ১০





৬। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) বিভাৱ

(খ) অভিব্যক্তিবাদ

(গ) ছনেট বা চতুৰ্দ্দশপদী কবিতা

(ঘ) প্ৰহসন

(ঙ) সাধুকথা আৰু চুটিগল্পৰ পাৰ্থক্য

(চ) আঞ্চলিক উপন্যাস

★★★